# বিজ্ঞান বাৰ্তা

## ASSAM SCIENCE SOCIETY

# BIGYAN BARTA

Vol-2 | Issue-5 | Sept – Oct-25 | a Bimonthly newsletter

2025



• কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি



২ বরাক বাণী দৈনিক, শিলচর, সোমবার, ১৫ সেপ্টেম্বর ২০২৫

### শ্রীভূমিতে 'পাতা বাবার' গণহিস্টিরিয়া অন্ধবিশ্বাসে সরব অসম বিজ্ঞান সমিতি

**কর্কটসহ সব রোগ সারানোর দাবিতে ভিড় জমছে হাজারো মানুষের কুদ্‌লিলতা খাওয়ার গুজবকে সামাজিক অভিশাপ আখ্যা দিয়ে কড়া পদক্ষেপের আহ্বান বিজ্ঞানমহলের**

হর্ষিত শ্রীভূমি বরাকবাণী প্রতিনিধি ১৪ সেপ্টেম্বর : বিশেষ এক ধরনের পাতা খেয়ে বিভিন্ন রোগ নিরাময় হচ্ছে। কর্কট সহ বিভিন্ন দুরারোগ্য রোগে আক্রান্ত রোগী থেকে হাসপাতালের শয্যাশায়ী রোগী পাতা খেয়ে সুস্থ হয়ে উঠছেন বলে দাবি করা হচ্ছে। পাতা বিতরণের দায়িত্বে থাকা ব্যক্তি রীতিমতো পাতাবাবা নামে জনপ্রিয়তা লাভ করে সেলিব্রিটি হয়ে উঠেছেন। শ্রীভূমি জেলার রাতাবাড়ি সমষ্টির পাতাবাবার পাতা খেতে প্রতিদিন কয়েক সহস্রাধিক মানুষ ভিড় করছেন। তবে পাতা খেয়ে সব রোগ নিরাময়ে বিষয়টি মানতে




Phone :+9160013-99315 e-mail: gsass2014@gmail.com

BIGYAN BARTA

# EDITORIAL BOARD

**Advisors :**
Sri Basanta Deka
Dr. Arup Kumar Misra
Dr. Amal Chandra Dutta
Dr. Jaideep Baruah
Sri Romen Gogoi
Sri Abhijit Sarma Boruah



**Chief Editor :**
Nirud Kumar Borah



**Editor :**
Pankaj Kumar Boruah



**Members:**
Sri Arup Kumar Dutta
Sri Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Sri Tridip Sarma
Sri Biman Handique



**Title page design & Graphics:** Nirud Kumar Borah

**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022

# TABLE OF CONTENTS

Editorial .................................................... 01
Memorial Lecture.............................................02
Distribution of Bijnyan Jeoti ............... .......04
International Vulture Day..................................06
Lecture program on Health & Nutrition........07
Felicitation and Observation of Day......... ..09
District Level Inter School/College
Quiz Competition................................ ...15
Workshop on Biotechnology ........................10
Superstitious Belief...........................................11
District level Science Merit Test: ....... .........12
Internship ..........................................................14
Virtual meeting of organizing
Sub Committee..................................................15
Awareness program on Ozon layer
depletion................................................................16
Globel hand washing Day.......................17
Awareness program on environment...... ..18
Facebook.com........................................20
Sub committee meeting...................................21
Sisu aru Amar Bijyan......................................22
Kalam's humanistic philosophy and
thoughts.........................................................23
Book fare..........................................................24
heyzine.com/flip-book of Bigyan Barta............25
Suggestion.........................................................26
Golden photograph.........................................27

BIGYAN BARTA

২০২৪ চনৰপৰা প্ৰকাশিত

EDITORIAL

বিজ্ঞান বাৰ্তা

Vol-2-,-Issue 5::, September-October, A Bimonthly news letter

বৰ্ষ ২ : ৫ম সংখ্যা : ছেপ্টেম্বৰ–অক্টোবৰ ২০২৫

# সম্পাদকীয়

বিজ্ঞান বাৰ্তাৰ সকলো পঢ়ুৱৈলৈ সাদৰ সম্ভাষণ জনাইছোঁ। ২০২৫ চনৰ ছেপ্টেম্বৰ- অক্টোবৰ মাহৰ সংখ্যাত অসম বিজ্ঞান সমিতিৰ বিভিন্ন শাখাই সম্পাদিত কৰা বিভিন্ন কাৰ্যসূচী ইয়াত তুলি ধৰিবলৈ যত্ন কৰা হৈছে। এই সময়ছোৱাত অসম বিজ্ঞান সমিতিৰ বিভিন্ন শাখাই অনুষ্ঠিত কৰা স্মাৰক বক্তৃতা প্ৰদান অনুষ্ঠান, স্কুল কলেজত বিজ্ঞান জেউতি বিতৰণৰ কাৰ্যসূচী,আন্তঃৰাষ্ট্ৰীয় শগুন সজাগতা সভা, অসমৰ ভিন ভিন ঠাইত সংঘটিত অন্ধবিশ্বাসৰ ঘটনাত অসম বিজ্ঞান সমিতিৰ উদ্বিগ্নতা প্ৰকাশ আৰু কাৰ্যব্যৱস্থা গ্ৰহণ, জিলা পৰ্যায়ত বিজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত কৰা লগতে নতুনকৈ অসম বিজ্ঞান সমিতিৰ সৈতে সংযোজিত হোৱা ছাত্ৰ ছাত্ৰীৰ ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচী সম্পন্ন কৰাত সহায় কৰা, আমাৰ শিশু আৰু আমাৰ বিজ্ঞান শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত কৰা ডক্টৰ এ পি জে আব্দুল কালামৰ সোঁৱৰণত বক্তৃতা অনুষ্ঠিত কৰা, গ্ৰন্থমেলাত অংশগ্ৰহণ কৰা বিভিন্ন শাখাৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰা আদি কাৰ্যৰ বিবৰণ প্ৰকাশ পাইছে। সমূহ শাখাৰ বিভিন্ন দিহা পৰামৰ্শ তথা নতুনত্বৰ চিন্তা আগবঢ়াবলৈ শিতান খুলি দিয়া হৈছে কাৰোবাৰ হাতত ইতিমধ্যে থকা আপুৰুগীয়া চিত্ৰ (বিজ্ঞান সমিতিৰ সৈতে জড়িত) পঠিয়ালে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হৈছে অসম বিজ্ঞান সমিতি আৰু আগুৱাই যাওক তাৰেই আশাৰে,-

শ্ৰদ্ধাৰে,

নিৰোদ কুমাৰ বৰা
পংকজ কুমাৰ বৰুৱা






Published by : General Secretary, Assam Science Society, Khanapara, Jawahar Nagar, Guwahati 781022, Assam

# আই আৰ-নেইষ্টত ড° যোগেন্দ্ৰ নাথ বৰুৱা স্মাৰক বক্তৃতা সম্পন্ন

## কৌস্তভ মণি বৰবৰাক প্ৰয়াত ডাঃ জে এন বৰুৱা ছাত্ৰ বৃত্তি প্ৰদান

৩ ছেপ্টেম্বৰ চি এছ আই আৰু উত্তৰ পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সহযোগত ডা যোগেন্দ্ৰ নাথ বৰুৱা সোঁৱৰণী ন্যাস আৰু অসম বিজ্ঞান সমিতি, যোৰহাট শাখাৰ সহযোগত প্ৰতিষ্ঠানটোৰ ডা. জে. এন বৰুৱা প্ৰেক্ষাগৃহত ৩১ সংখ্যক ডা যোগেন্দ্ৰ নাথ বৰুৱা সোঁৱৰণী বক্তৃতা অনুষ্ঠিত হয়। প্ৰয়াত ড° বৰুৱাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পনেৰে আৰম্ভহোৱা অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কৃষি-বিজ্ঞানী নিযুক্তি বাৰ্ড (ASRB)ল অধ্যক্ষ তথা পালামপুৰস্থিত চি এই আই আন-আই এইচ বি টিৰ প্ৰাক্তন সঞ্চালক ড.সঞ্জয় কুমাৰ আৰু সম্মানীয় অতিথি হিচাপে উপস্থিত থাকে যোৰহাটৰ বৰ্ষাৰনা গবেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ডা নীতিম কুলকানী আৰু অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড. জয়দীপ বৰুৱা লগতে অসম বিজ্ঞান সমিতি-যোৰহাট শাখাৰ সভাপতি ড. বিচিত্ৰ বৰঠাকুৰৰ লগতে অনুষ্ঠানটোত আমন্ত্ৰিত বিশিষ্ট অতিথি, বিজ্ঞানী, শিক্ষাবিদ আৰু ছাত্ৰ ছাত্ৰীও উপস্থিত থাকে। আদৰণী ভাষণত ড' বিচিত্ৰ কুমাৰ বৰঠাকুৰে প্ৰখ্যাত বিজ্ঞানী, গবেষক, পৰিৱেশবিদ, অধ্যাপক তথা চি এছ আই আৰ-নেইষ্টৰ (তেতিয়াৰ আঞ্চলিক গবেষণা পৰীক্ষাগাৰ যোৰহাট) ৰ প্ৰাক্তন সঞ্চালক ড. জে এন বৰুৱাক শ্ৰদ্ধাঞ্জলি জনাই বিজ্ঞান তথা প্ৰযুক্তিবিদ্যাৰ জগতখনলৈ তেওঁৰ বিশাল অবদানৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। চি এছ আই আৰ-নেইণ্টৰ সঞ্চালক ড° বীৰেন্দ্ৰ এম তিবাৰীয়ে ভাষণত ডা জে এন বৰুৱাৰ অসমত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰসাৰৰ বাবে কৰা অগ্ৰণী প্ৰচেষ্টাক স্মৰণ কৰে। ড° তিৱাৰীয়ে লগতে জোৰ দি কয় যে সীমিত প্ৰযুক্তিগত সম্পদ থকাৰ পাছতো ড° বৰুৱাই ভাৰতৰ বৈজ্ঞানিক গবেষণাক আন্তঃৰাষ্ট্ৰীয় মানলৈ উন্নীত কৰিছিল। তেওঁ ড° বৰুৱাক এজন বিজ্ঞানী,







শিক্ষাবিদ আৰু দুৰদৰ্শী নেতা বুলি অভিহিত কৰে যিয়ে চি এছ আই আৰ-নেই ৪০ দেশৰ অন্যতম প্ৰধান বিজ্ঞান প্ৰতিষ্ঠান হিচাপে পৰিগণিত হোৱাত প্ৰভৃত বৰঙনি আগবঢ়াইছিল। অসম বিজ্ঞান সমিতি যোৰহাট শাখাৰ সম্পাদক ৰমেন গগৈয়ে গুৱাহাটী বিজ্ঞান সমিতিৰ পৰা অসম বিজ্ঞান

# আই আৰ-নেইষ্টত ড° যোগেন্দ্ৰ নাথ বৰুৱা স্মাৰক বক্তৃতা সম্পন্ন

সমিতিৰ উৎপত্তিৰ পৰা ইয়াৰ বৰ্তমানৰ ৰূপলৈকে অসম। বিজ্ঞান সমিতিৰ বিষয়ে বক্তব্য। আগবঢ়ায়। স্মৃতি বক্তৃতা প্ৰদান কৰি ডা সঞ্জয় কুমাৰে উত্তৰ পূৰ্বাঞ্চলত জৈব সম্পদ ভিত্তিক অৰ্থনীতি গঢ়ি তোলাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ উল্লেখ কৰে যে প্ৰাকৃতিক। সম্পদেৰে সমৃদ্ধ এই অঞ্চলটোকে অৰ্থনৈতিক প্ৰত্যাহ্বান আৰু পুষ্টিহীনতাৰ সৈতে মোকাবিলা কৰিবলৈ বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰিব পাৰে। ডা. জালৌগ বৰুৱাই ভাষণত প্ৰয়াত ও জে এন বৰুৱাৰ তত্ত্বাবধানাত চাঁহ সুশা প্ৰণয়াত কাম কৰাৰ অভিজ্ঞতা স্মৰণ কৰি ৰাষ্ট্ৰীয় বৈজ্ঞানিক বিকাশন নিশাত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ প্ৰতিষ্ঠা আৰু অৱদানৰ বিষয়ে ব্যাখ্যা কৰে। নৱ প্ৰজন্মক উৎসাহিত কৰি ড' নীতিন কুলকানীয়ে তেওঁৰ ভাষণৰ আৰম্ভণি কৰে এটি অতি প্ৰেৰণাদায়ক খণ্ডবাক্যৰে 'যদি আপুনি কৰিব পাৰে বুলি ভাবিছে'। তেওঁ সংকুচিত হৈ অহা চাকৰিৰ সুযোগসমূহ মোকাবিলা কৰিবলৈ ঔদ্যোগিকৰণ আৰু স্টাৰ্ট আপৰ গুৰুত্বৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক বিশেষকৈ নগালেণ্ডক বহনক্ষম উন্নয়নৰ লক্ষ্য ৰূপায়ণৰ ক্ষেত্ৰত কৰা কাম-কাজৰ বাবে তেওঁ শলাগ লয়। ড' জে এন বৰুৱাৰ কন্যা ড মানসী বৰুৱাই তেওঁৰ পিতৃৰ স্মৃতিত এই পৰম্পৰা জীয়াই ৰখাৰ বাবে সকলো আয়োজক, বিশিষ্ট ব্যক্তিগণ আৰু অংশগ্ৰহণকাৰীসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত ২০২৫ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত মেধাবী ফলৰ বাবে আমগুৰিৰ অৰুণোদয় একাডেমিৰ, ছাত্ৰ কৌস্তভ মণি বৰবৰাক প্ৰয়াত ডাঃ জে এন বৰুৱা ছাত্ৰ বৃত্তি প্ৰদান কৰা হয়। অনুষ্ঠানতে ভাৰতীয় বিজ্ঞানীসকলৰ জীৱন আৰু অবদানৰ কথাৰে ড' দিপালী খাৰঘৰীয়াই লিখি উলিওৱা এখন অসমীয়া গ্ৰন্থ, ভাৰতীয় বিজ্ঞানীৰ জীৱন আৰু অৱদান। উন্মোচন কৰা হয়। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে









ড যোগেন্দ্ৰ নাথ বৰুৱা সোঁৰৰণী ন্যাসৰ সচিব তথা চি এছ আই আৰ-নেইষ্টৰ জ্যেষ্ঠ প্ৰধান বিজ্ঞানী ড° লক্ষী শইকীয়াই। ড' হিমাংশু কৌশিক বৰাৰ শলাগৰ শৰাইৰে কাৰ্যসূচীৰ সামৰণি পৰে।

ডিব্ৰুগড় শাখাঃ অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ সহযোগত আৰু পৰমানন্দ মহন্তৰ উদ্যোগত ডিব্ৰুগড়ৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, নন্দেশৰ উচ্চ মাধ্যমিক বিদ্যালয়, বাগমীবৰ উচ্চতৰ মাধ্যমিক, গ্ৰেহেমবজাৰ ছোৱালী আৰু গ্ৰেহেমবজাৰ ল'ৰাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান জেউতি বিতৰণ কৰা হয়।












# ঢকুৱাখনা শাখাঃ আন্তঃৰাষ্ট্ৰীয় শগুন সজাগতা সভাৰ প্ৰতিবেদনঃ




বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ লগতে ঢকুৱাখনাতো আন্তঃৰাষ্ট্ৰীয় শগুন সজাগতা দিৱস পালন কৰা হয়। ঢকুৱাখনা সম-জিলাৰ হাৰ্হি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই উপলক্ষত আয়োজিত সজাগতা সভাখনত সমল ব্যক্তি হিচাবে বক্তব্য আগবঢ়াই অসম বিজ্ঞান সমিতিৰ ঢকুৱাখনা শাখাৰ সভাপতি, পৰিৱেশ বিজ্ঞানী তথা পৰিৱেশ মিত্ৰ দেৱজিৎ ফুকনে। অসম বিজ্ঞান সমিতিৰ ঢকুৱাখনা শাখা, মেগামিক্স প্ৰকৃতি সংঘ আৰু পু এন ফ' ৱাইল্ডৰ উদ্যোগত আয়োজন কৰা আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ মানস জ্যোতি নেওগে আঁত ধৰা সভাখনত ফুকনে কয় যে পৃথিৱীৰ ভিতৰত এক নম্বৰ চাফাই কৰ্মী হ'ল শগুন। প্ৰাকৃতিক জামাদাৰ হিচাপে পৰিচিত এই শগুন এতিয়া এবিধ অতি সংকটাপন্ন জীৱ হিচাপে চিহ্নিত হৈছে। শগুনৰ বংশ বৃদ্ধি দ্ৰুত হাৰত পোৱাৰ অন্যতম কাৰণ হিচাপে তেওঁ কেইবাটাও কাৰণ উল্লেখ কৰে। ইয়াৰ ভিতৰত বাঁহ সাজিবৰ বাবে শগুনে নিৰাপদ হিচাপে বিবেচনা কৰা পূৰ্ণ বয়স্ক ওখ গছৰ অভাৱ, ডাইক্লোফেনাইক নামৰ ঔষধ ব্যৱহাৰ কৰা জীৱ -জন্তৰ মৃতদেহ ভক্ষণ কৰা,জন্তুৰ মৃত দেহ মুকলি অঞ্চলত পেলাই কুকুৰ মৰিবৰ বাবে কীটনাশক ঔষধ ব্যৱহাৰ কৰা আৰু ৰে'লপথৰ ওপৰত থকা জন্তুৰ শ খাবলৈ গৈয়ো ৰে'লৰ লাইনত শগুন মৰা আদি অন্যতম বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে ঢকুৱাখনাত ৫টা শগুনৰ বাঁহ আছে, শগুনে এবাৰত এটাহে কণী পাৰে আৰু শগুনৰ কণী ফুটি পোৱালি জগিবলৈ তিনিমাহ সময়ৰ প্ৰয়োজন বুলি উল্লেখ কৰে। সভাখনত আন এজন সমল ব্যক্তি হিচাবে অসম বিজ্ঞান সমিতিৰ উপ সভাপতি তথা ঢকুৱাখনা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ডঃ অমল চন্দ্ৰ দত্তইয়ো বক্তব্য ৰাখে। নিজৰ বক্তব্যত ডঃ দত্তই ২০০৬ চনত এটা আঘাতপ্ৰাপ্ত পোৱালি শগুন প্ৰায় তিনি মাহ কাল নিজৰ ঘৰৰ চৌহদতে লালন-পালন কৰি কামৰূপ জিলাৰ ৰাণীত থকা শগুন প্ৰজনন কেন্দ্ৰলৈ প্ৰেৰণ কৰাৰ কথা উল্লেখ কৰে। তেওঁ লগতে বহনক্ষম উন্নয়নৰ বাবে কাম কৰিবলৈ আগবাঢ়িবলৈ ছাত্ৰ-ছাত্ৰী সকলক আহ্বান জনায়।




দুয়োজন বক্তাই শগুনৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পোৱাৰ ফলত সৃষ্টি হোৱা সমস্যা বিলাকৰ কথাও আলোচনা কৰে। সজাগতা সভাত উপস্থিত শতাধিক ছাত্ৰ-ছাত্ৰীক শগুন সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে নিজে সচেতন হোৱাৰ লগতে নিজৰ অঞ্চলৰ নাগৰিক সকলক সজাগ সচেতন কৰিবলৈ অনুৰোধ জনায়।

উল্লেখ্য যে প্ৰতি বছৰে ছেপ্তেম্বৰ মাহৰ প্ৰথম শনিবাৰে আন্তঃৰাষ্ট্ৰীয় শগুন সজাগতা দিৱস পালন কৰা হয়। সজাগতা সভাখনত অসম বিজ্ঞান সমিতিৰ ঢকুৱাখনা শাখাৰ কাৰ্যকৰী সভাপতি পৰমা দত্ত, সহকাৰী সম্পাদক হেমন্ত কুমাৰ বৰুৱা, শিক্ষানুষ্ঠানখনৰ সহকাৰী অধ্যাপকসকল ক্ৰমে ৰিণ্টু সন্দিকৈ, মানৱ জ্যোতি হাজৰিকা ডঃ জিতু কুমাৰ চমুৱা, শৰৎ চুতীয়া, হৰিপ্ৰসাদ চুতীয়া আৰু অজিত শৰ্মা আদি উপস্থিত থাকে।













Dibrugarh Branch: Today the Dibrugarh Branch of Assam Science Society in association with Dibrugarh Nagarik Mancha and pensioners' Association organized a lecture program on Health & Nutrition on the occasion of National Nutrition Week (1st to 7th September, 2025). The program was presided by Dr. Bharati Dutta and the resource person was Lukima Barua, Retd. Health Education Officer, AMCH.






## Lecture on Health and National Nutrition in Dibrugarh

M Hashim Ali correspondent Dibrugarh, Sep 6: In connection with National Nutrition Week, a lecture programme was held today on 6 September at the Pensioners' Bhavan in Dibrugarh. The event was organized by Dibrugarh Nagarik Mancha, Pensioners' Association, and the Assam Science Society, Dibrugarh branch. The lecture session was presided over by Dr. Bharati Dutta, President of Nagarik Mancha and Assam Science Society, Dibrugarh branch.At the beginning, Pensioners' Association Secretary Mridul Sharma welcomed the President and distinguished guests. Dr. Shashikanta Saikia inaugurated the event with an insightful lecture on the role of nutritious food in maintaining good health. Dr Ranjit Singh, Vice President of Dibrugarh Science Society, explained the objectives of the programme. The session began with a devotional song presented by Mirza Nizamuddin Ahmed.

The keynote lecture was delivered by nutrition expert Lukima Baruah,








মৰাণ শাখাঃ শ্ৰদ্ধাৰ শ্ৰীযুত ৰাজীৱ বৰা ছাৰক অসম বিজ্ঞান সমিতি মৰাণ শাখাৰ হৈ জী-জোৱাইৰ উপস্থিতিত সম্বৰ্দ্ধনা জনোৱা হয় ।





## পুব-কামৰূপ শাখাঃ






# পূব কামৰূপ মহাবিদ্যালয়ত বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস উদযাপন

গণ সংবাদ, কমলপুৰ, ১০ ছেপ্টেম্বৰঃ প্ৰতিবছৰে আজিৰ দিনটোত অৰ্থাৎ ১০ ছেপ্টেম্বৰ তাৰিখে বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস পালন কৰি অহা হৈছে।আত্মহত্যাৰ কলংকে হ্ৰাস কৰা আৰু সাধাৰণ ৰাইজৰ মাজত সজাগতাবৃদ্ধিৰ বিশ্লাগুৰুত্ব দি এই দিৱস পালন কৰি অহা হৈছে ।সামাজিক, আৱেগিক,আৰু অৰ্থনৈতিক ক্ষেত্ৰত পৰিণামৰ সৈতে আত্মহত্যা হৈছে এক ডাঙৰ ব্যাধি ই এক বাজহুৱা সমস্যা।আত্মহত্যাৰ ওপৰত থকা মনোভাৱ সলনি কৰাৰ উদ্দেশ্য আজি পুব কামৰূপ মহাবিদ্যালয়ত এখনি সজাগতা সভা অনুষ্ঠিত কৰা হয়। District Mental Health Program ৰ উদ্যোগত DMPH Kamrup, Education Departments, AIIMS guwahati, science forum,pkc & Assam science society, NSS unit.ৰ সহযোগত আয়োজিত এইসভাত পুব কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ভূপেন কুমাৰ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্য ভাষণ ৰাখে ।সভাত AIIMS ৰ লগতে স্বাস্থ্য সেৱাৰ বহু কেইগৰাকী বিষয়-ববীয়া উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলক হতাশাক যাতে স্থান নিদিয়ে আত্মহত্যাৰ নিচিনা ভয়াবহ ধাৰণাই মন মগজুত ক্ৰিয়া নকৰে তাৰ ওপৰত সচেতন কৰে ।পুব কামৰূপ মহাবিদ্যালয়ৰ NSS গোটৰ আঁচনি বিষয়া আয়েজ আলীৰ তত্বাৱধানত আয়োজিত সভাত অসম বিজ্ঞান সমিত,পুব কামৰূপ শাখাৰ সম্পাদক আলতাফ হুছেইন খণ্ডকৰে যাদু প্ৰদৰ্শনেৰে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰে,সজাগ কৰে।কাৰ্যসূচীত সম্মল ব্যক্তি হিচাপে উপস্থিত থাকি ডঃ ৰাম দাস ৰুনসিন, সহযোগী অধ্যাপক AIIMS, ডঃ সৌৰভ চাহা, মাণ্ডলিক বিষয়া, জিলা মানসিক স্বাস্থ্য কাৰ্যক্ৰম, ডঃ নৱনীতা শৰ্মা, মানসিক ৰোগৰ চিকিৎসক ডঃ ৰিপা দাস মানসিক ৰোগৰ চিকিৎসক লগতে প্ৰিয়া বৰুৱা, জেহিৰুল ইছলাম, লিজা চৌধুৰী, পাৰভিজা আখতাৰ পুব কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপক বৃন্দ, শতাধিক ছাত্ৰ-ছাত্ৰীয়ে এই সজাগতা মূলক কাৰ্যসূচীত অংশ গ্ৰহণ কৰে।অংশ গ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰী সকল বিশেষ ভাবে উপকৃত হোৱা বুলিও মতবিনিময় কৰে।

Digboi Branch: Today 13th September 2025, Digboi College (Autonomous) and Assam Science society, Digboi branch jointly organized Tinsukia District Level Inter School/College Quiz Competition. A total of 11 teams participate in the Quiz Competition.









ডিগবৈ মহাবিদ্যালয়ত কুইজ প্ৰতিযোগিতা

মেলামৰা মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা



Nagarbera Branch: Assam Science Society Nagarbera Branch organised a 5 day workshop on "Biotechnology for young minds: Experiencing Science beyond Classroom" at BP Chaliha College Nagarbera. With 60 participants from the senior secondary school of Nagarbera area.














# শ্ৰীভূমি জিলাত সংঘটিত অন্ধবিশ্বাসৰ ঘটনাত উদ্বিগ্ন অসম বিজ্ঞান সমিতিঃ

সম্প্ৰতি অসমৰ বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাত চলি থকা অন্ধবিশ্বাসৰ ঘটনাই গণ হিষ্টিৰিয়াৰ ৰূপ পোৱাৰ ঘটনাত অসম বিজ্ঞান সমিতিয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। "পাতা বাবা" নাম লৈ এগৰাকী লোকে কুন্দুলিলতাৰ পাত খালে সকলো ৰোগ ভাল হয় বুলি আৰু এই ঔষধ সপোনত দুৰ্গাদেৱীপ্ৰদত্ত বুলি এক উদ্ভট অপপ্ৰচাৰেৰে জনসাধাৰণক বিভ্ৰান্ত কৰা কাৰ্যক অসম বিজ্ঞান সমিতিয়ে তীব্ৰ গৰিহণা দিয়ে।চিকিৎসা বিজ্ঞানে উন্নতিৰ শিখৰত আৰোহণ কৰাৰ এই বৈজ্ঞানিক যুগতো এচাম মানুহ এনেদৰে অন্ধবিশ্বাসত ডুব গৈ থকাটো এক সামাজিক অভিশাপ বুলি অসম বিজ্ঞান সমিতিয়ে অভিহিত কৰে। সমিতিয়ে এক বিবৃতিত কয় যে- উদ্ভিদ মাত্ৰেই ঔষধি গুণবিশিষ্ট হয়েই, কিন্তু এবিধ উদ্ভিদৰ পাতে সকলো ধৰণৰ ৰোগ ভাল কৰে বুলি কোৱাটো অবৈজ্ঞানিক আৰু ই মানুহৰ জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব। মানুহে জুইৰ ব্যৱহাৰ জনা হোৱা দিনৰ পৰা আজিলৈকে বিভিন্ন পৰ্যবেক্ষণ, অভিজ্ঞতা আৰু বৈজ্ঞানিক অনুসন্ধানৰ মাজেৰে আজিৰ অৱস্থা পাইছেহি। বিজ্ঞানে ক্ৰমান্বয়ে মানুহৰ লগতে অন্য জীৱৰো জীৱন প্ৰক্ৰিয়া সহজৰ পৰা সহজতৰ কৰি তুলিছে। ইয়াৰ বিপৰীতে এচাম অন্ধবিশ্বাসী তথা বেজ- বেজালিৰ উপাসকে বিজ্ঞান বিৰোধীয়ে চলাই থকা কাৰ্য মানৱ সভ্যতাৰ বাবেই ক্ষতিকাৰক। ইতিমধ্যে ডাইনী, বেজ-বেজালি, জৰা-ফুকা আদিৰ বিৰুদ্ধে চৰকাৰে আইন প্ৰণয়ন কৰিছে। বিজ্ঞান সমিতিয়ে এই আইনৰ অধীনত অন্ধবিশ্বাস বিয়পোৱা যিকোনো ব্যক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় প্ৰশাসন তথা চৰকাৰক আহ্বান জনায়। স্থানীয় সংবাদদাতা আৰু স্থানীয় নিউজ প'ৰ্টেলসমূহকো এনে ধৰণৰ ঘটনাৰ বাতৰি প্ৰকাশ কৰোঁতে সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। অসম বিজ্ঞান সমিতিয়ে গভীৰভাৱে আশা প্ৰকাশ কৰে যে শ্ৰীভূমিৰ সকলো বিজ্ঞান মনস্ক ব্যক্তি আৰু সংগঠনৰ লগতে প্ৰশাসনৰ যথাৰ্থ ভূমিকাৰ জড়িয়তে এই গণ হিষ্টিৰিয়াৰ অন্ত পৰিব আৰু ভৱিষ্যতেও যাতে একে ধৰণৰ ঘটনাত জনসাধাৰণ আক্ৰান্ত নহয় তাৰ বাবে সকলো সজাগ থাকিব। এই বিষয়ে আজি অসম বিজ্ঞান সমিতিৰ সভাপতি ড০ অৰূপ মিশ্ৰৰ সভাপতিত্বত এখনি বিশেষ জৰুৰী সভা অনুষ্ঠিত হয় আৰু ওপৰোক্ত ঘটনাৰ প্ৰতি অতি উদ্বিগ্নতা প্ৰকাশ কৰি তীব্ৰ গৰিহণা দিয়া হয়।

## 'পাতা বাবা'ৰ দৰ্শন বিচাৰি ভিৰত পদপিষ্ট বহুজন



'পাতা বাবা'ৰ কাষলৈ ভক্তৰ সোঁত

**শ্ৰীভূমিত অন্ধবিশ্বাসৰ চূড়ান্ত ৰূপ, শিশুসহ কেইবাজনো আহত**

'আমাৰ অসম'ৰ শ্ৰীভূমিৰ প্ৰতিনিধি, ১৩ ছেপ্টেম্বৰ ঃ বিজ্ঞান আৰু প্ৰযুক্তিৰ চমকপ্ৰদ উত্থানৰ সময়তো অন্ধবিশ্বাসৰ মোহ এৰিব পৰা নাই একাংশ লোকে। কাৰ্যতঃ অন্ধবিশ্বাসৰ বশৱতী হৈয়েই তান্ত্ৰিক, বাবা, গডমেন আদিৰ কাষলৈ ঢাপলি মেলে বহু লোকে। শেহতীয়াকৈ শ্ৰীভূমিত আৱিৰ্ভাৱ ঘটিছে 'পাতা বাবা'ৰ। এই বাবাৰ দৰ্শন পাবলৈ ১০ পৃষ্ঠাত

https://www.glpublications.in https://aamarasom.com ht

## পাতাবাবা: গণহিস্টিরিয়া অভিহিত করে প্রশাসনের দৃষ্টি আকর্ষণ করল অসম বিজ্ঞান সমিতি

যুগশঙ্খ প্রতিবেদন
শ্রীভূমি। ১৪ সেপ্টেম্বর

রামকৃষ্ণনগরের গড়েরবন্দে দিনকয়েকের মধ্যে সংবাদ শিরোনামে আসা 'পাতা বাবার' সিঙ্গল অ্যাজেন্ডা নিয়ে রবিবার অসম বিজ্ঞান সমিতির রাজ্য কার্যনিবহী কমিটির জরুরি সভা অনুষ্ঠিত হয়। সভার সিদ্ধান্ত অনুযায়ী অসম বিজ্ঞান সমিতির প্রধান সচিব মৃণাল হাজরিকা এক প্রেস বিবৃতি জারি করেছেন। এই বিবৃতির উল্লেখ করে রাজ্য কার্যনিবহী সমিতির সদস্য করিমগঞ্জ কলেজের অবসরপ্রাপ্ত অধ্যাপক ড. নির্মল সরকার জানিয়েছেন, শ্রীভূমি জেলার গড়েরবন্দে চলতে থাকা অন্ধবিশ্বাসের ঘটনা গণহিস্টরিয়ার রূপ নিয়েছে। এ ঘটনায় অসম বিজ্ঞান সমিতি গভীরভাবে উদ্বিগ্ন।

তিনি জানান, বর্তমানে পাতাবাবা নামে খ্যাত এক ব্যক্তি কুন্দুলিলতার পাতা খেলে সবধরনের রোগ নিরাময় হয় এবং এই ওষুধ দেবী দুর্গার স্বপ্নে প্রদত্ত বলে নাকি প্রচার করে জনসাধারণকে বিভ্রান্ত করা হচ্ছে। অসম বিজ্ঞান সমিতি এ ঘটনায় তীব্র অসন্তোষ ব্যক্ত করেছে।

বিবৃতির উল্লেখ করে ড. নির্মল সরকার জানান, চিকিৎসা বিজ্ঞান যখন উন্নতির চরম শিখরে পৌঁছার এই বৈজ্ঞানিক যুগে এক শ্রেণির মানুষের এধরনের অন্ধবিশ্বাসে মজে থাকাটা এক সামাজিক অভিশাপ ছাড়া কিছু নয়। অসম বিজ্ঞান সমিতির তরফে তিনি জানান, উদ্ভিদ মাত্রেই ওষুধি গুণবিশিষ্ট। কিন্তু একটি উদ্ভিদের পাতা সবধরনের রোগের জন্য উপকারি বা সব রোগ সারিয়ে তুলে বলে প্রচার করাটা অবৈজ্ঞানিক। এধরনের ঘটনা মানুষের জীবনের জন্য যথেষ্ট ঝুঁকিপূর্ণ। বিজ্ঞান ক্রমান্বয়ে মানুষের পাশাপাশি অন্য জীবের জীবন প্রক্রিয়া সহজ থেকে সহজতর করে তুলছে। এর বিপরীতে কিছু সংখ্যক অন্ধবিশ্বাসী বিজ্ঞান বিরোধিতা কার্যে লিপ্ত হয়ে মানব সভ্যতার ক্ষতির চেষ্টা করছে।

ইতিমধ্যে ডাইনি, বেজ, ঝাড়ফুঁক ইত্যাদির বিরুদ্ধে সরকার আইন প্রণয়ন ❑ পৃ.১০

Hailakandi branch: District level Science Merit Test: A total of 1,082 students appeared for the Science Merit Test 2025, conducted across five centres in the district by Assam Science Society, Hailakandi branch. This initiative aims to foster and strengthen the scientific temperament among the students of our district.








दैनिक पूर्वोदय

## हाइलाकांदी : पांच केंद्रों में विज्ञान प्रतिभा परीक्षा आयोजित




हाइलाकांदी, 14 सितंबर (नि.सं.)। आसाम विज्ञान समिति, हाईलाकादी शाखा की पहल पर रविवार को जिले के पांच केंद्रों में साइंस मैरिट टेस्ट आयोजित की गई। रविवार को प्रतिकूल मौसम के बावजूद 1,082 परीक्षार्थियों ने परीक्षा में भाग लिया।

जिन पांच केंद्रों में परीक्षा आयोजित की गई, उनके नाम हैं लाला का एमए जूनियर कॉलेज, कैया मॉडल स्कूल, आलगापुर अकलैंड स्कूल, हाईलाकांदी के पैरामाउंट सीनियर सेकेंडरी स्कूल और एरिट सीनियर सेकेंडरी स्कूल। प्रतियोगिता में जिले के विभिन्न प्रांतों से 25 स्कूलों के विद्यार्थियों ने भाग लिया। परीक्षा निरीक्षक अध्यापक असीम कल्याण ने बताया कि परीक्षा परिणाम दुर्गा पूजा से पहले प्रकाशित कर दिए जाएंगे और बाद में पुरस्कार वितरण समारोह आयोजित किया जाएगा।

विज्ञान समिति की अध्यक्ष अध्यापिका सुकन्या चौधुरी ने परीक्षा में सहयोग के लिए सभी के प्रति आभार व्यक्त किया। परीक्षा के उप निर्देशक नजमुल इस्लाम मजूमदार ने कहा कि आने वाले दिनों में भी इस तरह की मेरिट परीक्षा आयोजित की जाएगी।

उल्लेखनीय है कि यह आसाम विज्ञान समिति द्वारा आयोजित 23वीं साइंस मैरिट टेस्ट है।



The 23rd Science Merit Examination Prize Distribution Ceremony was organized at Paramount Senior Secondary School today, Sunday, courtesy of the Assam Science Association Hailakandi branch. Baharul Islam Laskar, officer of Hailakandi Science Temple, was present as the chief guest at the ceremony. The prize distribution ceremony was held under the chairmanship of Hailakandi Science Association Vice President Dr. Rupam Sen, and among others, the Controller of Merit Examination Dr. Asim Kalyan and the Deputy Controller of Examination Nazmul Hossain were present. Moreover, the founder principal of this light senior secondary school, eminent educationist Saiful Haque Chowdhury, was present as the guest of honor. Lutfur Rahman Baro Bhuiyan, Secretary of Science Association Hailakandi branch, delivered the welcome speech at the meeting today. He highlighted the various activities of Assam Science Association in Hailakandi. Moreover, the Controller of Examination Dr. Asim Kalyan said in his speech that a total of 1200 students appeared in this merit examination this year. This merit test from class 7 to class 12 was successfully organized in five centers of the district on September 14. Out of these, a total of 75 students were identified and certificates and trophies were handed over to them today. Educationist Saiful Haque Chowdhury delivered a speech as the distinguished guest at today's event. He urged the parents to be aware. Chief guest Baharul Islam Laskar presented the activities of the Science Society across Hailakandi district to the public present. Among those who were awarded today, the first place in the merit list in class 7 was Risan Bhowmik (Paramount Senior Secondary School) and Rajni Bhuiyan (Kaiya Model School), second place was Salma Begum Laskar (Kaiya Model School) and third place was Subhasree Teron (Subash Academy, Hailakandi). The 8th grade merit list winners are Becky Nunia (Kaiya Model School), Dilip Tanti (Kaiya Model School) and Pratima Ravidas (Haye Model School). The 9th grade students in the mega list are Mahmud Hasan Laskar (Paramount Senior Secondary School) and Rashi Kurmi (Kaiya Model School) who jointly secured the first place, Rezaul Haque Baro Bhuiyan (Paramount Senior Secondary School) who secured the second place, and Rishabh Shil (Kaiya Model School) and Virat Debnath (Presentia Senior Secondary School) who jointly secured the third place. The 10th grade merit list winners are Soham Chakraborty (Blue Flowers English Medium School) who secured the first place, Debargh Das (Presentia Senior Secondary School) and Anika Tasin Chowdhury (Auckland Academy) who jointly secured the second place, and Priya Kurmi (Kaiya Model School) who secured the third place. The merit list of class XI is first place Aditya Sutradhar, second place Arnab Chakraborty and third place Sayantani Purkayastha. All of them are students of Presencia Senior Secondary School. The merit list of class XII is Priya Priyanka Singh Presencia Senior Secondary School. Priyanka Das (Presencia Senior Secondary School), Rahul Debnath (Erit Senior Secondary School), and Srishti Nath (SS College Hailakandi) jointly secured second place. Moreover, Arpita Dev and Sohada Khanam Chowdhury jointly secured third place in the merit list. All of them are students of Presencia Senior Secondary School. Today, Ek Anarambar Khan and the winners present handed over certificates and trophies. The entire prize distribution ceremony was conducted by Nazmul Islam Majumdar, Co-Controller of Science Merit Examination. The principal of Kaiya Model School, Moushumi Das, Shirin Chowdhury and others were present at the ceremony. The program concluded with a speech by Dr. Rupam Sen, Vice President of the Hailakandi Branch of the Science Society.

**ঢকুৱাখনা শাখাঃ** বিশেষ অভিনন্দন অনুষ্ঠানঃ আজি ইংৰাজী ১৪/০৯/২০২৫ তাৰিখ দেওবাৰে আবেলি ২-০০ বজাত মেগামিক্স প্ৰকৃতি সংঘৰ সভাগৃহত ঢকুৱাখনা মহাবিদ্যালয়ৰ (স্বা:) প্ৰাণীবিজ্ঞান বিভাগে মেগামিক্স প্ৰকৃতি সংঘ আৰু অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাত ইন্টাৰনছিপ কাৰ্যসূচী সম্পন্ন কৰাত সহায় কৰা সমল ব্যক্তিবৃন্দক অভিনন্দন জনাবৰ বাবে এক বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰে। সভাখন আঁতধৰে বিভাগৰ ছাত্ৰী টিনামণি টাৰ আৰু সভাখনিত সভাপতিত্ব কৰে অসম বিজ্ঞান সমিতিৰ উপ সভাপতি ডঃ অমল চন্দ্ৰ দত্তদেৱে। সমল ব্যক্তি পৰিৱেশমিত্ৰ-অসম বঁটাপ্ৰাপক দেৱজিৎ ফুকন, ডঃ অমল চন্দ্ৰ দত্ত, ডঃ নৰেন্দ্ৰনাথ দত্ত, দিগেন্দ্ৰনাথ হাজৰিকা, পৰমানন্দ দত্ত, বিমান সন্দিকৈ আৰু ধ্ৰুৱজ্যোতি চেতিয়াক একোখনি মিচিং জনগোষ্ঠীৰ আৰকক আৰু ইন্টাৰনছিপ কাৰ্যসূচীৰ আলোকচিত্ৰ সম্বলিত এখনি সম্বৰ্ধণা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। ইন্টাৰ্ণশ্বিপৰ ১৫ গৰাকী ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত কেওজন সমল ব্যক্তিয়ে নিজৰ মন্তব্য আগবঢ়ায়। ছাত্ৰী সকলৰ তৰফৰ পৰা ভদ্ৰামতী পেগু, সোনমণি চণ্ডী আদিয়ে ইন্টাৰ্ণশ্বিপত পৰিৱেশ সংৰক্ষণ আৰু বন্যপ্ৰাণী বিষয়ক কথাবিলাকত লাভ কৰা নিজৰ অভিজ্ঞতা বৰ্ণনা কৰে। সভাপতি ডঃ অমল চন্দ্ৰ দত্তদেৱে সভাপতিৰ মন্তব্যত মেগামিক্স প্ৰকৃতি সংঘ আৰু অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ প্ৰতিষ্ঠাৰ পৰা বৰ্তমান সময়লৈকে ঢকুৱাখনাৰ পৰিৱেশ আৰু প্ৰকৃতিৰ বিষয়ে বক্তব্য আগবঢ়ায় ।









**কেন্দ্ৰীয় কাৰ্যালয়ঃ** আজি ১৫ ছেপ্টেম্বৰ, ২০২৫ তাৰিখে ভাৰ্চুৱেল মাধ্যমত হোৱা সংগঠন উপ সমিতিৰ সভাৰ কিছু মুহূৰ্ত।

সংগঠন উপ-সমিতি, আহ্বায়ক - শ্ৰী অৰূপ কুমাৰ দত্ত, ডঃ নিৰ্মল চৰকাৰ, শ্ৰী মৃন্ময় শৰ্মা, *সংগঠন উপ-সমিতি সংগঠন উপসমিতিৰ সভা সম্পৰ্কত।*

শ্ৰী দীনেশ চন্দ্ৰ কলিতা, শ্ৰী অনিল কুমাৰ ঠাকুৰীয়া, শ্ৰী প্ৰতাপ মালী, শ্ৰী বৃন্দালী দেৱী, ডঃ সঞ্জয় কুমাৰ হাজৰিকা, শ্ৰী প্ৰফুল্ল বৰ্মন, শ্ৰী বীৰেন ডেকা, শ্ৰী চক্ৰমণি ব্ৰহ্ম, শ্ৰী শৈলেন্দ্ৰ প্ৰসাদ শৰ্মা, শ্ৰী ধৰ্ম ৰাজবংশী, শ্ৰী ধীৰেন ডেকা, শ্ৰী দিলীপ কাকতি, শ্ৰী সৰ্বানন্দ শৰ্মা, শ্ৰী সঞ্জীৱ দেউৰী, ডঃ জ্যোতিষ্ময় বৰা, আব্বাছ আলম চৌধুৰী, ডঃ সুজিত তিৱাৰী, শ্ৰী ৰাতুল গগৈ, শ্ৰী বিষ্ণু নিৰলা, শ্ৰী জীৱন বৰা, আলতাফ হুছেইন খণ্ডকৰ, শ্ৰী পৱিত্ৰ কৈৱৰ্ত্ত, ডঃ ভানু শইকীয়া, শ্ৰী যাদৱ ছাংমাই, ডঃ নৱজ্যোতি বৰা















# Nagarbera Branch:



Nagarbera Branch: Awareness program on "Ozon layer depletion" on occasion of International Day for the Preservation of the Ozone Layer , by Assam Science Society, Nagarbera Branch, at BP Chaliha College Nagarbera.




# Jamira HS School







উত্তৰ গুৱাহাটী শাখাঃ অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাই উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ইক' ক্লাবৰ সহযোগত বিশ্ব অ'জন দিৱস (World Ozone Day, 2025) পালন কৰে। সভাখনত অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাৰ সভাপতি প্ৰভাত শৰ্মা আৰু সম্পাদক প্ৰদীপ কুমাৰ কলিতাই অ'জন পৃষ্ঠৰ ক্ষতি সম্পৰ্কত ব্যাখ্যা আগবঢ়ায়। দিৱসৰ লগত সংগতি ৰাখি Poster Presentation প্ৰতিযোগিতা এখন পতা হয়।










# খ ব ৰ




## ডিগবৈ মহাবিদ্যালয়ত কুইজ প্ৰতিযোগিতা



**মনোৰঞ্জন দাস, ডিগবৈ, ১৬ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ হীৰক জয়ন্তী সমাৰোহৰ বৰ্ষজোৰা কাৰ্যসূচীৰ অংশ হিচাপে তিনিচুকীয়া জিলা ভিত্তিত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতিৰ ডিগবৈ শাখাৰ সহযোগত মহাবিদ্যালয়ৰ কনফাৰেন্স হলত অনুষ্ঠিত কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে অসমৰ জনপ্ৰিয় যুৱ কুইজ মাষ্টাৰ স্বায়ন্তন শইকীয়াই। তিনিচুকীয়া জিলাৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ মুঠ ১১ টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত চূড়ান্ত ৰাউণ্ডলৈ ৬ টা দল নিৰ্বাচিত হয়। প্ৰতিযোগিতাত ডিগবৈ মহাবিদ্যালয়ৰ দীপ চাহ আৰু ময়ূখ মলি দেৱে প্ৰথম স্থান, লিডু মহাবিদ্যালয়ৰ মহম্মদ তাৰিফ খান আৰু আজিজ আহমেদে দ্বিতীয় স্থান, মাঘেৰিটা পাব্লিক হায়াৰ ছেকেণ্ডাৰী স্কুলৰ দীপজয় পাল আৰু মুস্তাক উদ্দিন আহমেদে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা বেবীৰিতু ফুকনে আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানত অসম বিজ্ঞান সমিতিৰ ডিগবৈ শাখাৰ সভাপতি ড° অৰুণ চন্দ্ৰ শৰ্মা, দীপা শৰ্মা বৰঠাকুৰ, ড° ৰশ্মি পাটোৱাৰী, ড° পৱন গগৈ, ড° কিশোৰ হাঁলৈ, দুলুমণি দাস, ড° মণিকংকণা কলিতা, ড° কানাই দাস আৰু প্ৰদীপ চন্দ্ৰ দাস আদিয়ে বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ বিতৰণ কৰে।

উন্নয়নৰ পুঁজিৰ অযথা শবাধ

## যোৰহাটত বিজ্ঞান উৎসৱৰ আয়োজক সমিতি গঠন

**প্ৰতিবেদক, বাহনা, ১৬ ছেপ্টেম্বৰ ঃ** অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখা আৰু যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত শিক্ষাৰ্থীৰ মাজত বিজ্ঞান জনপ্ৰিয়কৰণৰ লগতে হাতে-কামে বিজ্ঞান শিক্ষা প্ৰদানৰ উদ্দেশ্যে ১৮-২০ ডিচেম্বৰলৈ যোৰহাটত বিজ্ঞান উৎসৱ অনুষ্ঠিত হ'ব। যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ আলোচনা কক্ষত বিজ্ঞান সমিতিৰ সভাপতি ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত এই সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে এখন আয়োজক সমিতি গঠন কৰে। বিজ্ঞান সমিতিৰ বৰভেটাত অৱস্থিত চৌহদত হ'বলগীয়া উৎসৱত অসম বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদ (এষ্টেক), অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ, যোৰহাট জিলাৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহ, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ যোৰহাট জিলা আয়োজক সমিতি, যোৰহাট পৰিৱেশ মঞ্চ, অসম শৈক্ষিক কেন্দ্ৰ আদিয়ে সহযোগিতা আগবঢ়াব। ৰাজহুৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে যোৰহাট বিজ্ঞান সমিতিৰ সম্পাদক ৰমেন গগৈয়ে আৰু লক্ষ্য সম্পৰ্কে আলোকপাত কৰে ড° দণ্ডেশ্বৰ দত্তই। সভাত জিলা আয়ুক্তৰ প্ৰতিনিধি তথা নডেল বিষয়া ৰূপে বক্তব্য প্ৰদান কৰে দৃষ্টিশিখা ফুকনে। সভাত ধীৰেন কুমাৰ গগৈ, ড° প্ৰমোদ চন্দ্ৰ নেওগ, ড° অদিতি বেজবৰুৱা, পূৰবী দেৱী, অনুৰাধা দেৱী, ড° ৰমেশ চন্দ্ৰ বৰুৱা, ড° পৰাণ বৰুৱা, ড° বিপিন খণ্ডীয়া, ড° বিমলা প্ৰসাদ বৰুৱা, ড° ৰাজীৱলোচন গোস্বামী, হেমেন কুমাৰ শইকীয়া প্ৰমুখ্যে বিভিন্নজনে বক্তব্য প্ৰদান কৰে। সভাই জিলাখনত জন প্ৰতিনিধিসকলক পৃষ্ঠপোষক, জিলা আয়ুক্তক মুখ্য উপদেষ্টা, ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰক সভাপতি, ৰমেন গগৈক সম্পাদক, ড° দণ্ডেশ্বৰ দত্তক সাংগঠনিক সম্পাদক ৰূপে লৈ আয়োজক সমিতিখন গঠন কৰে। সভাত বিভিন্ন উপ-সমিতিসমূহো গঠন কৰে। সভাত ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস, প্ৰবীণ বৰুৱা, ড° পুলক জ্যোতি ভূঞা, ড° দীপালী খাৰঘৰীয়া, প্ৰতুল হাজৰিকা, বুধিন দত্ত, বেদান্ত দত্ত, দীক্ষা গোস্বামীকে ধৰি বিভিন্নজন উপস্থিত থাকে।

গোৰেশ্বৰ শাখাঃ অসম বিজ্ঞান সমিতি, গোৰেশ্বৰ শাখাই সমাগত দুৰ্গাপূজাকে ধৰি বিভিন্ন পূজা উৎসৱৰ প্ৰতি লক্ষ্য ৰাখি পৰিৱেশৰ ওপৰত সচেতনতা অনাৰ কাৰণে 27 আৰু 28 চেপ্তেম্বৰ, 2025 তাৰিখে গোৰেশ্বৰ এলেকাৰ বিভিন্ন পূজা মণ্ডপত পৰিৱেশ সজাগতা অভিযান চলায়। সমিতিৰ সভাপতি ডিম্বেশ্বৰ ৰাজবংশী, সম্পাদক মকুন্দ কাকতি, ৰাজ্যিক কাৰ্যনিৰ্বাহক মহচিনুল হক আহমেদ, সমন্বয়ক ধৰ্মকান্ত ৰাজবংশী, বিষয়ববীয়া জিতেশ বিশ্বাস, লতিফ চৌধুৰী বীৰেন দাস, মদন ডেকা, নিৰঞ্জন ডেকা আদিয়ে পূজা সমিতি সমুহক পৰিৱেশ সুন্দৰকৈ ৰাখিবলৈ আহ্বান জনায়। প্ৰসাদ আদি খোৱাত প্লাষ্টিকৰ সামগ্ৰীৰ সলনি কলপাত, কাগজ ব্যৱহাৰ কৰা, এবাৰ ব্যৱহাৰ্য প্লাষ্টিকৰ ব্যৱহাৰ কমকৰা, ডাষ্টবিন ব্যৱহাৰ কৰা, প্লাষ্টিকসমুহ আছুতীয়া ঠাইত দ' গাতত পুতিথোৱা, ক্ষতিকাৰক ৰং ব্যৱহাৰ নকৰা, হিলৈ, ফটকা আদি ব্যৱহাৰ নকৰা, কম শব্দত শব্দযন্ত্ৰ ব্যৱহাৰ কৰা শৃংখলাবদ্ধতা বজাই ৰখা আদি বিভিন্ন দিশৰ ওপৰত আলোচনা কৰাৰ লগতে স্বেচ্ছাসেৱকসকলক প্ৰশিক্ষণ দিয়ে।












# FaceBook




যুটীয়া সচিবৰ গোহাৰিঃ আপোনালোকৰ মূল্যবান মৌলিক বিজ্ঞান সম্বন্ধীয় লেখনী সমূহ আমাৰ ফেচবুকত আপলোড কৰিলে সকলোৱে পঢ়িব পাৰিব। নিউজ পেপাৰৰ ফটো সুস্পষ্ট কৈ দিব। আৰু মূল লিখনি টোও দিব পাৰে। লগতে, নিজৰ পৰিচয় ব্যক্ত কৰিব, শাখাৰ নামৰ সৈতে। ধন্যবাদ। (তলত লিংক দিয়া হৈছে, ছেয়াৰ কৰিব পাৰে)- নিৰোদ কুমাৰ বৰা, যুটীয়া সচিব।

https://www.facebook.com/share/g/16sFY9RPuP/

আজি অনুষ্ঠিত হোৱা প্ৰকল্প প্ৰস্তুতি উপ সমিতিৰ সভাৰ স্থিৰ ছবি 8-10-2025

**অসম বিজ্ঞান সমিতি**
**প্ৰকল্প প্ৰস্তুতি আৰু কাৰ্যকৰীকৰণ উপ-সমিতি সভা**
**তাৰিখঃ ৭ অক্টোবৰ, ২০২৫ (ভাৰ্চুৱেল মাধ্যম)**

**কাৰ্যসূচীঃ**

১। সভাপতিৰ আসন গ্ৰহণ – ড০ অৰূপ কুমাৰ মিশ্ৰ, সভাপতি, অসম বিজ্ঞান সমিতি

২। সভাৰ উদ্দেশ্য ব্যাখ্যা – আহ্বায়ক, প্ৰকল্প প্ৰস্তুতি আৰু কাৰ্যকৰীকৰণ উপ-সমিতি

৩। সভাৰ আলোচ্য বিষয়ঃ

ক) DST ৰ দ্বাৰা গৃহীত প্ৰকল্পৰ সম্পৰ্কত আলোচনা।


খ) আগন্তুক সময়ত সমিতিয়ে হাতত ল'ব পৰা প্ৰকল্পসমূহৰ সম্পৰ্কত আলোচনা।


গ) অন্যান্য।

৪। উপস্থিত সদস্যসকলৰ মন্তব্য।

৫। প্ৰস্তাৱ/সিদ্ধান্ত।

৬। সভাপতিৰ ভাষণ আৰু সভাৰ সামৰণি।





# শিশু আৰু আমাৰ বিজ্ঞান অনুষ্ঠান

ছাত্ৰ-ছাত্ৰীক বিজ্ঞান শিক্ষাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰাৰ লক্ষ্যৰে সন্তপুৰ চিচাপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, অসম বিজ্ঞান সমিতি, বিহপুৰীয়া শাখা আৰু সান্নিধ্য ন্যাসৰ উদ্যোগত আজি বিয়লি ১ বজাৰ পৰা 'শিশু আৰু আমাৰ বিজ্ঞান' শীৰ্ষক অনুষ্ঠানটি বিহপুৰীয়াৰ সমীপৰ ২১৬নং সন্তপুৰ কন্দলি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতি, বিহপুৰীয়া শাখাৰ সভাপতি বিজয় দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসম বিজ্ঞান সমিতিৰ বিহপুৰীয়া শাখাৰ সম্পাদক মৃদুপৱন গগৈয়ে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গক স্মৰণ কৰি দশম শ্ৰেণীৰ ছাত্ৰী খ্যাতিমণি বৰুৱাই এটি জুবিনৰ দ গীত পৰিবেশন কৰি সভাত উপস্থিত থকা সকলোকে মুগ্ধ কৰে। এই অনুষ্ঠানত সন্তপুৰ চিচাপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম হ আৰু ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ৰসায়ন আৰু পদাৰ্থ বিজ্ঞানৰ লগত জড়িত প্ৰায় পোন্ধবটাতকৈ য অধিক পৰীক্ষা যাদুৰ দৰে সম্পন্ন কৰি কণ কণ অ ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰে। বিজ্ঞান শিক্ষাব প্ৰসাৰ আৰু প্ৰচাৰৰ যোগেদি শিশুসকলক আগবঢ়াই নিবৰ বাবে অসম বিজ্ঞান সমিতিয়ে যি প্ৰচেষ্টা চলাই আছে, তাবেই অংশৰূপে বিহপুৰীয়া শাখা, সান্নিধ্য ন্যাস আৰু সন্তপুৰ চিচাপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে এই বিষয়ত আজি





সহযোগিতা আগবঢ়াই সভাখন অনুষ্ঠিত কৰি সকলোকে আকৰ্ষিত কৰে। সভ্যত উপস্থিত থকা সন্তপুৰ চিচাপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰ বাহাদুৰ চেত্ৰীয়ে বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। ২১৬নং সন্তপুৰ কন্দলি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আজিৰ অনুষ্ঠানটো সম্পূৰ্ণৰূপে উপভোগ কৰে আৰু কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞানৰ পৰীক্ষাত অংশগ্ৰহণ কৰে।



# Dibrugarh Science Society observes the birth anniversary of Bharat Ratna Dr. A. P. J. Abdul Kalam

Dibrugarh Science Society...Kalam's humanistic philosophy and thoughts. Known as the "Missile Man of India," Dr. Kalam made remarkable contributions to India's defense sector by leading the development of missiles like Prithvi and Agni, as well as the SLV (Satellite Launch Vehicle), thus advancing the nation's scientific and technological progress. Dr. Dutta also mentioned Kalam's dream of transforming India from a developing country into a developed nation. Executive President Sudakshina Das presented an Assamese translation of a poem written by Dr. Kalam for stu-dents, through which the great leader's vision was vividly reflected. Teacher Dwijen Das, in his speech, spoke about the patriotism and sense of responsibility that Dr. Kalam had toward the younger generation. The meeting was attended by the Vice President of the Dibrugarh branch of the Science Society, Dr. Ranjit Singh; Joint Secretary, Ajit Sharma; and member Dr. Sultana Hazarika. Ajit Sharma also offered the vote of thanks.In the presence of students and teach-ers of the school, Dr. Bharati Dutta and Sudakshina Das donated several books to the school library.







# দেৱগাওঁ শাখাই প্ৰথম বাৰৰ আয়োজন কৰা গ্ৰন্থমেলাত














# BIGYAN BARTA May-June

https://heyzine.com/flip-book/b87c44b1ee.html

https://assamsciencesociety.in/storage/iqac/an
nual_report/69328d7450485.pdf

# শাখাৰ চিঠি/ গঠন মূলক পৰামৰ্শ প্ৰেৰণ

**গৌৰীসাগৰ –দিখৌমুখ শাখাঃ** আমাৰ একান্ত অনুভৱ আৰু কেন্দ্ৰীয় সমিতিলৈ প্ৰস্তাৱ:আপোনালোক সকলোৱে জ্ঞাত যে অসম আৰু অসমীয়াৰ মানৱদৰদী শিল্পী সকলোৰে মৰমৰ জুবিন গাৰ্গয়ে প্ৰকৃতি বিশেষ:ত গছ ভাল পায়। এই কথাষাৰ মৰ্ম সাৰোগত কৰি অসম বিজ্ঞান সমিতিয়ে জুবিন গাৰ্গক জীয়াই ৰাখিব পাৰে। তেখেতৰ মৃত্যু তিথিটোত অথ্যাৎ বছৰৰ ১৯ ছেপ্তেম্বৰ তাৰিখত প্ৰতিখন শাখাই একোখন শিক্ষানুষ্ঠানত একোটা বা ততোধিক বিশেষ গছপুলি (যেনে পলাক্ষ, হেলচ, বড়গছ আদি) ৰোপন কৰি উদযাপন কৰিব পাৰে যিয়ে সংৰক্ষনৰ দিশটো সাঙুৰি লব। লগতে চৌপাক্ষ বিনন্দীয়া হব যত জুবিন গাৰ্গৰ সপোন আশাবোৰ ফলৱতী হব। কিন্তু সেই বিশেষ দিনটো এটা বিশেষ নামেৰে নামাংকিত হব লাগিব যি বিজ্ঞান সমিতিৰ লক্ষ্য আৰু উদেশ্যক প্ৰতিফলিত কৰিব। বিষয়টো যথেষ্ট সময় উপযোগী। এইয়া আমাৰ একান্ত ব্যক্তিগত। লাগিলে বিষয়টো জুবিন গাৰ্গৰ পৰিয়াল, অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৰিষদ, জৈৱবৈচিত্ৰ পৰিষদৰ লগতো আলোচনা কৰিব পাৰে। এয়া আমাৰ প্ৰস্তাৱ হে।

ড° নৱজ্যোতি বড়া,
সম্পাদক
গৌৰীসাগৰ -দিখৌমুখ শাখা।

সম্পাদক (WhatsApp), 9435164400

**আশা কৰোঁ এই শিতানত আপোনাসৱৰ পৰা সহাঁৰি পাম আৰু পিছৰ সংখ্যাৰ পৰা আমি পূৰণ কৰিব পাৰিম।**

।

# আপুৰুগীয়া আলোকচিত্ৰ

অসম বিজ্ঞান সমিতিৰ ৫০ সংখ্যক মৰিগাওঁ অধিবেশন










*আশা কৰোঁ এই শিতানত আপোনাসবৰ পৰা সহাঁৰি পাম*

# আপুৰুগীয়া আলোকচিত্ৰ










২০১৫ : অসম বিজ্ঞান সমিতিৰ ৫০ সংখ্যক মৰিগাঁওঁ অধিৱেশন

©photo@nirud kumar borah

# ASSAM SCIENCE SOCIETY

# বিজ্ঞান বাৰ্তা

2025

# BIGYAN BARTA

- কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি

Vol-2 | Issue-5 | Sept – Oct-25 | a Bimonthly newsletter